অধ্যায়-৮ ঃ ৰাজহুৱা খণ্ডৰ উপক্রমবোৰত জনসম্পর্ক

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ কেন্দ্রিয় চৰকাৰৰ জনসম্পর্ক

- ৮.৩.১ ফটো বিভাগ
- ৮.৩.২ ভাৰতৰ বাতৰি কাকতসমূহৰ পঞ্জীয়ক
- ৮.৩.৩ গৱেষণা, প্রসংগ (Reference) আৰু প্রশিক্ষণ বিভাগ
- ৮.৩.৪ প্রেছ ইন্‌ফর্মেচন ব্যুৰো
- ৮.৩.৫ প্রকাশন বিভাগ
- ৮.৩.৬ ক্ষেত্রীয় প্রচাৰ সঞ্চালকালয়
- ৮.৩.৭ ভাৰতীয় প্রেছ কাউন্সিল
- ৮.৩.৮ ভাৰতীয় গণসংযোগ প্রতিষ্ঠান
- ৮.৩.৯ গীত আৰু নাট বিভাগ
- ৮.৩.১০ প্রচাৰ ভাৰতী
- ৮.৩.১১ ব্রড্‌কাষ্ট ইঞ্জিনিয়াৰিং কনচাল্‌টেণ্টচ্‌ ইণ্ডিয়া লিমিটেড্‌
- ৮.৩.১২ চলচ্চিত্র বিভাগ
- ৮.৩.১৩ চলচ্চিত্র মহোৎসৱ সঞ্চালকালয়
- ৮.৩.১৪ ভাৰতৰ ৰাষ্ট্রীয় চলচ্চিত্র সংগ্রহালয়
- ৮.৩.১৫ ফিল্ম এণ্ড টেলিভিচন ইন্‌ ষ্টিটিউট অব ইণ্ডিয়া
- ৮.৩.১৬ সত্যজিৎ ৰে ফিল্ম এণ্ড টেলিভিচন ইন্‌ষ্টিটিউট
- ৮.৩.১৭ ৰাষ্ট্রীয় চলচ্চিত্র বিকাশ নিগম
- ৮.৩.১৮ চেণ্ট্রেল ব'র্ড অব ফিল্ম চার্টিফিকেচন (CBFC)

৮.৪ ৰাজ্য চৰকাৰৰ জনসম্পর্ক

- ৮.৪.১ ৰাজ্য চৰকাৰৰ তথ্য আৰু গণসংযোগ বিভাগ
- ৮.৪.২ তথ্য আৰু গণসংযোগ বিভাগৰ কার্যকলাপ

৮.৪.২.১ প্রেছ সম্পর্কৰক্ষী শাখা (Press Liaison Section)

৮.৪.২.২ প্রেছ গৱেষণা শাখা

৮.৪.২.৩ অভিলেখগাৰ

৮.৪.২.৪ বিজ্ঞাপন শাখা

৮.৪.২.৫ সাংস্কৃতিক শাখা

৮.৪.২.৬ প্রদর্শনী শাখা

৮.৪.২.৭ কাৰিকৰী শাখা

৮.৪.২.৮ তথ্য কেন্দ্র

৮.৪.২.৯ প্রকাশন শাখা

৮.৫ ৰাজহুৱাখণ্ডৰ অধীনৰ সংস্থাসমূহৰ জনসম্পর্ক

৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.৭ অধিক জানিবলৈ

৮.৮ অগ্রগতিৰ খতিয়ান

৮.৯ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- কেন্দ্রীয় চৰকাৰৰ অধীনস্থ বিভিন্ন জনসম্পর্কৰক্ষী সংস্থা আৰু বিভাগৰ কথা জানিব আৰু সেই বিষয়ে আলোচনা কৰিব পাৰিব
- ৰাজ্য চৰকাৰৰ জনসম্পর্ক বিভাগ সম্পর্কে বিশ্লেষণ কৰিব পাৰিব
- ৰাজহুৱা খণ্ডৰ অধীনৰ জনসম্পর্কৰক্ষী সংস্থাৰ কর্তব্য আৰু দায়িত্ব সম্পর্কে ব্যাখ্যা কৰিব পাৰিব।

৮.২ পৰিচয়

জনসম্পর্কৰ বিভিন্ন আহিলা তথা প্রক্রিয়াসমূহৰ লগত আমি ইতিপূর্বে পৰিচিত হৈছো। চতুর্থ কাকতৰ এই অন্তিম অধ্যায়টোত আমি জনসম্পর্কৰ কিছুমান গুৰুত্বপূর্ণ দিশৰ বিষয়ে আলোচনা কৰিম, যেনে- কেন্দ্রীয় আৰু ৰাজ্য চৰকাৰৰ জনসম্পর্ক।

জনসম্পৰ্ক হৈছে পৰিচালনাৰ এক আহিলা, কোনো অনুষ্ঠানৰ গুৰুত্বপূৰ্ণ দিশবোৰ পৰিচালনাৰ বাবে এই আহিলা ব্যৱহাৰ কৰা হয়। আধুনিক পৃথিৱীত ভাৰমূৰ্তি বা মৰ্যাদা গঢ়া কোনো সামগ্ৰী মুকলি তথা মানুহৰ মাজলৈ যাবলৈ ব্যক্তি তথা সংস্থাৰ বাবে জনসম্পৰ্কৰক্ষী কাম-কাজৰ প্ৰয়োজনীয়তা অপৰিহাৰ্য। চমুকৈ ক'বলৈ হ'লে জনমানসত স্থিতি লাভ তথা জনগোষ্ঠীৰ আস্থাভাজন হোৱাৰ ক্ষেত্ৰত জনসম্পৰ্কৰ সহায় লোৱা হয়। যিহেতু চৰকাৰো একধৰণৰ সংস্থা গতিকে ইয়াক আমি ৰাজ্য বা দেশৰ বৃহত্তম সংস্থা বুলি ক'ব পাৰো। এই সংস্থাৰ অধীনস্থ অৰ্থাৎ চৰকাৰৰ অধীনত জনসম্পৰ্কৰ বাবে একোখন মন্ত্ৰণালয় বা একোটা বিভাগ থাকে। এই গোটটোও ভাৰত চৰকাৰৰ তথ্য আৰু প্ৰচাৰ মন্ত্ৰণালয়, অসম চৰকাৰৰ তথ্য আৰু জনসম্পৰ্ক সঞ্চালকালয় বা জনসংযোগ আৰু ব্যক্তিগত খণ্ডৰ অধীনৰ জনসম্পৰ্কৰক্ষী অনুষ্ঠানৰ বিষয়ে আলোচনা কৰা হ'ব।

৮.৩ কেন্দ্ৰীয় চৰকাৰৰ জনসম্পৰ্ক

আমি ইতিমধ্যে আলোচনা কৰিছো যে ব্যক্তিগত খণ্ডই হওঁক বা চৰকাৰী খণ্ডই হওক, সকলো ধৰণৰ সংস্থা-অনুষ্ঠান-প্ৰতিষ্ঠান পৰিচালনাৰ বাবে আজিৰ সময়ত জনসম্পৰ্ক এটা অতি গুৰুত্বপূৰ্ণ আহিলা। কাজেই চৰকাৰৰ বিভিন্ন তথ্য আঁচনি তথা কাৰ্যসূচীৰ প্ৰচাৰৰ বাবে ভাৰত চৰকাৰৰো এখন সুকীয়া মন্ত্ৰণালয় আছে। ইয়েই হৈছে তথ্য আৰু প্ৰচাৰ মন্ত্ৰণালয়। ইয়াৰ অধীনত অনাতাঁৰ, দূৰদৰ্শন, চলচ্চিত্ৰ, সংবাদ মাধ্যম, প্ৰকাশন, বিজ্ঞাপন সংস্থা তথা অন্যান্য পৰম্পৰাগত জনসম্পৰ্ক আহিলাই গণসংযোগৰ ক্ষেত্ৰত কাম কৰে। সাধাৰণ নাগৰিকৰ মাজলৈ তথ্য কঢ়িয়াই নিয়াৰ ক্ষেত্ৰত জনসম্পৰ্কৰ এই আহিলাসমূহে তাৎপৰ্যপূৰ্ণ ভূমিকা পালন কৰে। জনস্বাৰ্থ আৰু ব্যৱসায়িক দৃষ্টিভঙ্গীৰ মাজত সমতা ৰাখি এই আহিলাসমূহে জনসাধাৰণৰ জ্ঞানৰ সমান্তৰালভাৱে আমোদ যোগান ধৰে।

তথ্য আৰু প্ৰচাৰ মন্ত্ৰণালয়ৰ কৰণীয়সমূহ—

- আকাশবাণী আৰু দুৰদৰ্শনৰ জৰিয়তে বাতৰি সেৱা।
- অনাতাঁৰ আৰু দুৰদৰ্শনৰ উন্নয়ন।
- চলচ্চিত্ৰৰ আমদানি আৰু ৰপ্তানিকৰণ।
- চলচ্চিত্ৰ উদ্যোগৰ উন্নয়ন সাধন আৰু প্ৰসাৰণ।
- চলচ্চিত্ৰ মহোৎসৱ, বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী আদি অনুষ্ঠিত কৰি সাংস্কৃতিক বিনিময়ৰ ব্যৱস্থা কৰা।

- ভাৰত চৰকাৰৰ হৈ বিজ্ঞাপন আৰু দৃশ্য প্ৰচাৰৰ ব্যৱস্থা কৰা।
- কেন্দ্ৰীয় চৰকাৰৰ আঁচনিসমূহৰ প্ৰসাৰ আৰু প্ৰচাৰৰ বাবে সংবাদ মাধ্যমৰে সম্পৰ্ক ৰক্ষা কৰা।
- এডমিনিষ্ট্ৰেচন অব দি প্ৰেছ এণ্ড ৰেজিষ্ট্ৰেচন অৱ বুক এক্ট, ১৮৬৭ ৰ মতে কাম-কাজ কৰা।
- দেশীয় গুৰুত্ব থকা বিষয়সমূহৰ তথ্য দেশৰ ভিতৰতেই কেৱল নহয়, বৰ্হিৰাষ্ট্ৰতো প্ৰচাৰ কৰা।
- মন্ত্ৰণালয়ৰ অধীনৰ গণমাধ্যম গোটসমূহলৈ সহায়-সহযোগিতা আগবঢ়োৰ বাবে গৱেষণা, প্ৰশিক্ষণ আদিৰ ব্যৱস্থা কৰা।
- আকাশবাণী জনস্বাৰ্থজড়িত বিষয়ত বিভিন্ন প্ৰচাৰ অভিযানৰ আয়োজন কৰা। ইয়াৰ বাবে বিভিন্ন লোককলা বা পৰম্পৰাগত আহিলাৰো সহায় ল'ব পাৰি।



- তথ্য আৰু গণমাধ্যৰ ক্ষেত্ৰখন আন্তৰ্জাতিক সহযোগিতাৰ বাতাবৰণ সৃষ্টি কৰা 'পাব্লিকেচন ডিভিজন' বা প্ৰকাশন বিভাগ হৈছে দেশৰ প্ৰচাৰণ তথা প্ৰকাশন ক্ষেত্ৰৰ এটা আগশাৰীৰ প্ৰতিষ্ঠান। বিভিন্ন গ্ৰন্থ প্ৰকাশেৰে ই জাতীয় ঐক্যসাধনৰ প্ৰয়াস কৰে। দেশৰ বিভিন্ন অঞ্চলৰ লোকৰ বিশ্বাস আৰু চিন্তা-চৰ্চাক গ্ৰন্থৰ জৰিয়তে আন ঠাইলৈ নিয়াৰ লগতে সামাজিক ক্ষেত্ৰত এক সজাগতা স্থাপনতো নেতৃত্ব লয়। অঞ্চলভেদে সুকীয়া সুকীয়া ভাবধাৰাৰ লোক থাকে, এওঁলোকৰ মাজত বুজাবুজি স্থাপন, গণসংযোগ আদিৰ ক্ষেত্ৰত প্ৰকাশন বিভাগে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। কম দামতে গ্ৰন্থ প্ৰকাশ আৰু প্ৰচাৰৰ ব্যৱস্থা কৰে এই বিভাগে। এই বিভাগৰ দ্বাৰা প্ৰকাশিত কেইখনমান গুৰুত্বপূৰ্ণ জাৰ্ণাল হৈছে— যোজনা, কুৰুক্ষেত্ৰ, এমপ্লয়মেণ্ট নিউজ আৰু আজকাল ইত্যাদি।

তিনিটা প্ৰধান শাখাৰ অধীনত থকা মন্ত্ৰণালয়টোৰ বিভিন্ন বিভাগসমূহে দেশখনৰ নাগৰিকসকলৰ লগত এটা সুসম্পৰ্ক ৰক্ষা কৰে। মন্ত্ৰণালয়টোৰ সাংগঠনিক গাঁথনি তলত দিয়াধৰণৰ—

তথ্য আৰু প্ৰচাৰ মন্ত্ৰণালয়	তথ্য শাখা	ফটো বিভাগ
		ভাৰতৰ বাতৰিকাকতসমূহৰ পঞ্জীয়ক
		গৱেষণা, প্ৰসংগ (Reference) আৰু প্ৰশিক্ষণ বিভাগ
		প্ৰকাশন বিভাগ
		প্ৰেছ ইন্‌ফৰ্মেশ্বন ব্যুৰো
		ক্ষেত্ৰীয় প্ৰচাৰ সঞ্চালকালয়
		ভাৰতীয় প্ৰেছ কাউন্সিল
		ভাৰতীয় গণসংযোগ প্ৰতিষ্ঠান
		গীত আৰু নাট বিভাগ
	সম্প্ৰচাৰ শাখা	ব্ৰডকাষ্ট ইঞ্জিনিয়াৰিং কন্‌চাল্‌টেণ্টচ্‌ ইণ্ডিয়া লিমিটেড্‌।
		প্ৰসাৰ ভাৰতী → আকাশবাণী, দূৰদৰ্শন
	চলচ্চিত্ৰ শাখা	চলচ্চিত্ৰ বিভাগ
		চলচ্চিত্ৰ মহোৎসৱ সঞ্চালকালয়
		ভাৰতৰ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ সংগ্ৰহালয়
		ফিল্ম এণ্ড টেলিভিচন ইন্‌ষ্টিটিউট অফ ইণ্ডিয়া
		সত্যজিৎ ৰে ফিল্ম্‌ এণ্ড টেলিভিচন ইন্‌ষ্টিটিউট
		ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বিকাশ নিগম
		CBFC (চেণ্ট্ৰেল ব'ৰ্ড অব্‌ ফিল্ম চাৰ্টিফিকেচন)

ভাৰত চৰকাৰৰ তথ্য আৰু প্ৰচাৰ মন্ত্ৰণালয়ৰ সাংগঠনিক গাঁথনি

নিউজ প্ৰিণ্ট ঃ সেইবিলাক কাকত য'ত বাতৰি কাকতখন ছপা কৰা হয়। এই শব্দটো ঘাইকৈ সেইবিধ কাঠৰ মণ্ডৰ কাকতক সূচাই যিটো পোন প্ৰথমবাৰৰ বাবে ১৮৬৭ চনত ব্যৱহৃত হৈছিল আৰু যিটো ১৮৯০ চনত মানদণ্ড যুক্ত হয়।



জানি থোৱা ভাল

প্ৰসাৰ ভাৰতী প্ৰত্যক্ষভাৱে ভাৰত চৰকাৰৰ এটা বিভাগ নহয়। ই এটা স্বতন্ত্ৰ বিভাগ।

এতিয়া আমি মন্ত্ৰণালয়টোৰ অধীনত থকা এই বিভাগসমূহৰ বিভিন্ন কাৰ্যকলাপ আৰু দায়িত্বসমূহৰ বিষয়ে আলোচনা কৰোঁ আহক—

৮.৩.১ ফটো বিভাগ (Photo Division)

ফটোগ্ৰাফীৰ ক্ষেত্ৰত দেশত ফটো বিভাগটোৱেই হ'ল আটাইতকৈ ডাঙৰ উৎপাদন গোট। এই বিভাগটোৱে তথ্য আৰু প্ৰচাৰ মন্ত্ৰণালয়ৰ বিভিন্ন মাধ্যম গোট (media Units) আৰু ৰাজ্যিক আৰু কেন্দ্ৰীয় চৰকাৰৰ অন্যান্য মাধ্যম গোটক ফটোগ্ৰাফ যোগান ধৰে। বিভাগটোৱে নগদ মূল্যৰ বিনিময়ত জনসাধাৰণক ফটোগ্ৰাফ আৰু Transparencies যোগান ধৰে। ফটো বিভাগটোৱে এতিয়া ফটোগ্ৰাফ প্ৰেৰণৰ বাবে ডিজিটেল পদ্ধতি ব্যৱহা কৰে। বিভাগটোৰ চাৰিটা আঞ্চলিক কাৰ্যালয় ক্ৰমে মুম্বাই, চেন্নাই, কলকাতা আৰু গুৱাহাটী অৱস্থিত। ইয়াৰ মখ্য কাৰ্যালয় দিল্লীত অৱস্থিত।

৮.৩.২ ভাৰতৰ বাতৰিকাকত সমূহৰ পঞ্জীয়ক (Registrar of Newspapers for India)

১৯৫৩ চনত প্ৰথম প্ৰেছ কমিচনৰ পৰামৰ্শ ক্ৰমে আৰু ১৮৬৭ চনৰ 'প্ৰেছ এণ্ড ৰেজিষ্ট্ৰেচন অফ বুকচ্ এক্ট' (PRB Act) ৰ সংশোধন মৰ্মে ভাৰতৰ বাতৰিকাকতসমূহৰ পঞ্জীয়কৰ (RNI) ১ জুলাই, ১৯৫৬ চনত স্থাপিত হয়। RNI ৰ দায়িত্ব আৰু কাৰ্যাৱলী 'দ্য প্ৰেছ এণ্ড ৰেজিষ্ট্ৰেচন অফ বুকচ এক্ট'ত সন্নিবিষ্ট হৈছে। RNIৰ প্ৰধান কাম হ'ল বাতৰি-কাকতসমূহৰ শিৰোনামৰ শুদ্ধাশুদ্ধ বিচাৰ আৰু আবণ্টন; ই ভাৰতীয় বাতৰিকাকতসমূহ পঞ্জীয়ন কৰে আৰু সিবিলাকক নিউজপ্ৰিণ্টৰ যোগান ধৰে।

৮.৩.৩ গৱেষণা, প্ৰসংগ (Reference) আৰু প্ৰশিক্ষণ বিভাগ (Research, Reference and Training Division)

বিভিন্ন মাধ্যমক সিবিলাকৰ কাৰ্যক্ৰম প্ৰস্তুত আৰু প্ৰচাৰ অভিযানমূলক কামত গৱেষণা, প্ৰসঙ্গ (Reference) আৰু প্ৰশিক্ষণ বিভাগে (RR& TD) তথ্য ভঁৰাল আৰু প্ৰসংগ (Reference) কেন্দ্ৰ হিচাপে সহযোগিতা আগবঢ়ায়। বিভাগটোৱে গণ মাধ্যমৰ ক্ষেত্ৰত কৰা গুৰুত্বপূৰ্ণ নীতি, বিষয়, উদ্ভৱ হোৱা ঘটনা আৰু বিকাশৰ প্ৰসঙ্গত গৱেষণা বিকল্প (Research back-up) প্ৰদান কৰে। বিভাগটোৱে বাৰ্ষিকভাৱে

দুখন প্ৰসংগ পুথি সংকলন কৰে। এখন হ'ল ভাৰতৰ প্ৰসংগত এক প্ৰামাণিক কৃতি 'ইণ্ডিয়া— এ ৰেফাৰেঞ্চ এনুৱেল' আৰু আনখন দেশৰ গণসংযোগৰ ওপৰতএক ব্যাপক সংকলন যাৰ নাম 'মাচ মেডিয়া ইন ইণ্ডিয়া'।

৮.৩.৪ প্ৰেছ ইন্‌ফৰ্মেচন ব্যুৰো (Press Information Bureau)

প্ৰেছ ইন্‌ফৰ্মেচন ব্যুৰো হৈছে ভাৰত চৰকাৰৰ সেইটো সংস্থা যিটোৱে বিভিন্ন ছপা আৰু বৈদ্যুতিক মাধ্যমৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন নীতি আৰু কাৰ্যাৱলীৰ তথ্য ব্যক্ত কৰে। ই মূলতঃ UNI বা PTI ৰ নিচিনা এটা সংবাদ সংস্থা। পাৰ্থক্য মাত্ৰ এইটোৱে যে PIB এটা চৰকাৰী সংস্থা আৰু PIB য়ে আগবঢ়োৱা সেৱা সম্পূৰ্ণ বিনামূলীয়া। তদুপৰি ই বিভিন্ন ভাষা আৰু উপভাষাসমূহত সংবাদ সেৱা আগবঢ়ায়। সংস্থাটোৰ গুৰি ধৰোঁতা হ'ল মুখ্য তথ্য বিষয়াগৰাকী (Principal Information Officer)। সংবাদ ব্যাপ্ত কৰিবলৈ ৮টা আঞ্চলিক কাৰ্যালয় আৰু ৩৫টা শাখা কাৰ্যালয় আছে। ব্যুৰোৰ মুখ্য কাৰ্যালয়ত থকা বিষয়া কেইজন বিভিন্ন মন্ত্ৰণালয় আৰু বিভাগৰ লগত সংযুক্ত। এই বিষয়াসকলে সংশ্লিষ্ট মন্ত্ৰণালয় আৰু বিভাগসমূহৰ সংবাদ মাধ্যম আৰু জনসম্পৰ্ক লগত জড়িত দিশসমূহ চোৱা-চিতা কৰাত সহায় কৰে। PIBয়ে চৰকাৰ আৰু সংবাদ মাদ্যমৰ মাজত সংযোগকাৰীৰ ভূমিকা পালন কৰে। তথ্য বিষয়াসকলে চৰকাৰৰ হৈ চৰকাৰী মুখপাত্ৰৰ ভূমিকা পালন কৰে। তদুপৰি তেওঁলোকে চৰকাৰী নীতি আৰু কাৰ্যাৱলীক লৈ সংবাদ মাধ্যমত ফুটি উঠা জনসাধাৰণৰ প্ৰতিক্ৰিয়াৰ বিষয়ে নিজস্ব মন্ত্ৰণালয়/বিভাগসমূহক অৱগত কৰায়।

ব্যুৰোৱে হিন্দী, ইংৰাজী, উৰ্দু আৰু অন্যান্য আঞ্চলিক ভাষাত প্ৰকাশ কৰা তথ্য ৮৪০৮ খন বাতৰিকাকত আৰু সংবাদ সংস্থাই লাভ কৰে। PIB ভিডিঅ' কন্‌ফাৰেঞ্চিং পদ্ধতিৰ মাধ্যমেদি ২৯টা আঞ্চলিক কেন্দ্ৰৰ লগত সংযুক্ত। ই সংবাদ মাধ্যমৰ লগত জড়িত ব্যক্তিসকলক সেই ক্ষমতা অৰ্পণ কৰে যাতে তেওঁলোক চৰকাৰী উৎসমূহৰ পৰা সহজতে তথ্য লাভ কৰিব পাৰে।

৮.৩.৫ প্ৰকাশন বিভাগ (Publications Division)

প্ৰকাশন বিভাগ(PD)হৈছে দেশৰ আগশাৰীৰ প্ৰকাশন সংস্থা আৰু ৰাজহুৱা খণ্ডৰ ভিতৰত সৰ্ববৃহৎ প্ৰতিষ্ঠান। এই বিভাগটো বিভিন্ন শ্ৰেণীৰ গ্ৰন্থৰ প্ৰকাশনত নিয়োজিত।

দেশখনত বিভিন্ন ক্ষেত্ৰত হোৱা কাম-কাজ আৰু ৰাষ্ট্ৰীয় ঐক্য-সম্প্ৰীতিৰ উদ্দেশ্য আগত ৰাখি দেশখনৰ বিভিন্ন অঞ্চলত বসবাস কৰা লোক, তেওঁলোক ধৰ্মীয় বিশ্বাস-পৰম্পৰাৰ লগত পৰিচিত হ'ব পৰাকৈ প্ৰকাশন বিভাটোৱে তথ্য সমৃদ্ধ গ্ৰন্থ প্ৰকাশ কৰি আহিছে। ই সহজলভ্য দামত গ্ৰন্থ আৰু আলোচনী ছপা কৰে আৰু তাৰ বিক্ৰীৰ ব্যৱস্থা কৰে। প্ৰকাশন বিভাগে প্ৰকাশ কৰা কেইখনমান উল্লেখযোগ্য আলোচনী হৈছে ক্ৰমে— যোজনা, কুৰুক্ষেত্ৰ, এমপ্লয়মেণ্ট নিউজ, আজকাল, ইত্যাদি। এতিয়ালৈকে ই ৭৫০০খনতকৈ অধিক গ্ৰন্থ প্ৰকাশ কৰিছে। গ্ৰন্থৰ বাহিৰেও প্ৰকাশন বিভাগটোৱে ৰাষ্ট্ৰীয় গুৰুত্ব আৰু সামাজিক উদ্দেশ্য আগত ৰাখি ২১খন আলোচনী প্ৰকাশ কৰি আহিছে। সম্প্ৰতি বিভাটোৱে ইয়াৰ মাল্টি-মিডিয়া ইণ্টাৰেক্টিভ চি.ডি. প্ৰজেক্টৰ মাধ্যমেদি ই-পাব্লিচিঙতো হাত দিছে। ইয়াৰ লক্ষ্য হ'ল নব্য সংযোগ মাধ্যমৰ লগত পৰিচিত ভাৰতীয় প্ৰজন্মটো আৰু বিদেশৰ লোকসকলকো বৰ্ণাঢ্য ঐশ্বৰ্যশালী ভাৰতীয় সংস্কৃতিৰ লগত পৰিচিত কৰা।

৮.৩.৬ ক্ষেত্ৰীয় প্ৰচাৰ সঞ্চালকালয় (Directorate of Field Publicity)

পঞ্চ বাৰ্ষিক পৰিকল্পনা (Five year Plan) ৰ প্ৰচাৰ সংস্থা হিচাপে ক্ষেত্ৰীয় প্ৰচাৰ সঞ্চালকালয় (DFP)য়ে ৩২ টা ক্ষেত্ৰীয় গোট আৰু ৪টা আঞ্চলিক কাৰ্যালয়েৰে ১৯৫৩ চনৰ পৰা ইয়াৰ কাম-কাজ আৰম্ভ কৰে। ১৯৫৯ চনত ইয়াক ক্ষেত্ৰীয় প্ৰচাৰ সঞ্চালকালয় হিচাপে পুনঃ নামকৰণ কৰা হয় আৰু কেইবছৰ মানৰ ভিতৰতে অন্য কেইটামান ক্ষেত্ৰীয় প্ৰচাৰ গোট আৰু আঞ্চলিক কাৰ্যালয় আৰু ২৪৬টা ক্ষেত্ৰীয় প্ৰসাৰ গোটে গ্ৰাম্যাঞ্চলত ফলপ্ৰসূ প্ৰচাৰকাৰ্য চলাইছে। সঞ্চালকালয়টোৰ প্ৰভাৱ সুদূৰ প্ৰচাৰী আৰু ইয়াৰ প্ৰয়াস হ'ল আটাইতকৈ দূৰৱৰ্তী, দুৰ্গম গাঁৱলৈকে ক্ষেত্ৰীয় প্ৰচাৰ গোটসমূহৰ কাৰ্যাৱলী সম্প্ৰসাৰিত কৰা।

ক্ষেত্ৰীয় প্ৰচাৰ গোটসমূহে বিভিন্ন প্ৰকাৰৰ প্ৰচাৰ কৌশল; যেনে— চলচ্চিত্ৰ প্ৰদৰ্শনী, গীত আৰু নাট, ফটো প্ৰদৰ্শনী, সমূহীয়া আলোচনা, আলোচনাচক্ৰ, ৰেলী আৰু বিভিন্ন-ধৰণৰ প্ৰতিযোগিতা; যেনে— তৰ্ক প্ৰতিযোগিতা, ছবি আঁকা প্ৰতিযোগিতা,গ্ৰাম্য খেল- ধেমালি, ইত্যাদি প্ৰয়োগ কৰে। এই সকলোবোৰ কাৰ্যক্ৰমৰ লক্ষ্য জনসাধাৰণৰ মঙ্গল সাধন আৰু জনসাধাৰণক শিক্ষা দান, বিশেষকৈ সেইসকল লোকক যিসকল লোক গ্ৰাম্যাঞ্চল আৰু জনজাতীয় এলেকাত বসবাস কৰে।

৮.৩.৭ ভাৰতীয় প্ৰেছ কাউন্সিল (Press Council of India)

ভাৰতীয় প্ৰেছ কাউন্সিল বিধিসন্মতভাৱে প্ৰতিষ্ঠা হোৱা এটা স্বতন্ত্ৰ সংস্থা যাৰ উদ্দেশ্য হ'ল সংবাদ পত্ৰৰ স্বাধীনতা সুৰক্ষিত কৰা আৰু ভাৰতৰ বাতৰিকাকত আৰু সংবাদ সংস্থাসমূহৰ কাম-কাজ চকু দি তাৰ মানদণ্ড উন্নত কৰা। কাউন্সিলৰ নেতৃত্ব বহন কৰে অধ্যক্ষই। অধ্যক্ষগৰাকীক মনোনীত কৰে এখন কমিটীয়ে য'ত থাকে ৰাজ্যসভাৰ অধ্যক্ষ, লোকসভাৰ অধ্যক্ষ (Speaker), প্ৰেছ কাউন্সিলৰ সদস্যসমূহৰ মাজৰ পৰা নিৰ্বাচিত হোৱা ব্যক্তি এগৰাকী আৰু অন্যান্য। কাউন্সিলৰ গৰিষ্ঠসংখ্যক সদস্য সাংবাদিকতাৰ জগতখনৰ লগত জড়িত ব্যক্তি। তাৰ ভিতৰত তিনিগৰাকী মনোনীত যাক ক্ৰমে বিশ্ব-বিদ্যালয় অনুদান আয়োগ (UGC), ভাৰতীয় বাৰ কাউন্সিল (Bar Council of India) আৰু সাহিত্য অকাডেমিয়ে মনোনীত কৰে আৰু অন্য পাঁচগৰাকী সদস্যৰ ভিতৰত দুগৰাকী ৰাজ্যসভাৰ পৰা মনোনীত হয় আৰু তিনিগৰাকী লোকসভাৰ পৰা মনোনীত হয়। প্ৰেছ কাউন্সিলে প্ৰচাৰ মাধ্যমৰ তৰফৰ পৰা বা প্ৰচাৰ মাধ্যমৰ বিৰুদ্ধে অহা অভিযোগসমূহৰ সুচিন্তিত সমাধান আগবঢ়ায়।

৮.৩.৮ ভাৰতীয় গণ সংযোগ প্ৰতিষ্ঠান (Indian Institute of Mass Communications)

ভাৰতীয় গণ সংযোগ প্ৰতিষ্ঠান (IIMC) তথ্য আৰু প্ৰচাৰ মন্ত্ৰণালয়ৰ অধীনস্থ এটা স্বতন্ত্ৰ সংস্থাৰ দ্বাৰা পৰিচালিত। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ তথ্য আৰু প্ৰচাৰ বিষয়াসকলৰ প্ৰশিক্ষণ, গণ সংযোগৰ ব্যৱহাৰ আৰু বিকাশৰ লগত জড়িত প্ৰশিক্ষণ আৰু গৱেষণা, ৰাজহুৱা আৰু ব্যক্তিগতখণ্ডৰ উদ্যোগসমূহৰ তথ্য আৰু প্ৰচাৰৰ লগত জড়িত প্ৰয়োজন পুৰণ কৰিব পৰাকৈ প্ৰশিক্ষণ আৰু গৱেষণাৰ ব্যৱস্থা কৰা লক্ষ্য আগত ৰাখি ভাৰতীয় গণসংযোগ প্ৰতিষ্ঠান প্ৰতিস্থিত হয়।

প্ৰতিষ্ঠানটোৱে ভাৰতীয় তথ্য সেৱা (Indian Information Services)ৰ গ্ৰুপ 'এ' আৰু গ্ৰুপ 'বি' শাখাৰ বিষয়াসকলৰ বাবে প্ৰশিক্ষণ কাৰ্যসূচী পৰিচালনা কৰে আৰু AIR আৰু দূৰদৰ্শনৰ লগত জড়িত ব্যক্তিৰ বাবে ব্ৰডকাষ্ট জাৰ্ণেলিজম ক'ৰ্চ (Broadcast Journalism Course) পৰিচালনা কৰে। ইয়াৰ বাহিৰেও, প্ৰতিষ্ঠানটোৱে নতুন গণ সংযোগৰ ন মহীয়া স্নাতকোত্তৰ ডিপ্লম'মা ক'ৰ্চ (ইংৰাজী আৰু হিন্দী); প্ৰচাৰ আৰু জনসম্পৰ্ক আৰু ৰেডিঅ' আৰু দূৰদৰ্শন সাংবাদিকতাৰ ক'ৰ্চ আৰু

হিন্দী সাংবাদিকতাৰ ক'ৰ্চ আগবঢ়ায়। ই সংবাদ মাধ্যমৰ লগত জড়িত ব্যক্তিসকলৰ বাবে আৰু অন্য বিভিন্ন দেশৰ জনসম্পৰ্কৰক্ষী বিষয়াসকলৰ বাবেও হ্ৰস্বকালীন ক'ৰ্চ আগবঢ়ায়।

৮.৩.৯ সঙ্গীত আৰু নাট বিভাগ (Song and Drama Division)

সঙ্গীত আৰু নাট বিভাগ (S&DD) প্ৰতিষ্ঠানৰ উদ্দেশ্য হ'ল গণ সংযোগৰ লোক আৰু পৰম্পৰাগত মাধ্যমসমূহৰ চিনাক্তকৰণ আৰু প্ৰয়োগ যাতে বিভিন্ন ৰাষ্ট্ৰীয় কাৰ্যসূচীৰ বিষয়ে জনসাধাৰণৰ মনত জাগৰণৰ মনোভাব সৃষ্টি হয়। এইক্ষেত্ৰত গ্ৰাম্যাঞ্চলৰ জনসাধাৰণে অগ্ৰাধিকাৰ লাভ কৰিছিল। বিভাগটোৰ মুখ্য কাৰ্যালয় নতুন দিল্লীত অৱস্থিত আৰু দেশৰ বিভিন্ন প্ৰান্তত ইয়াৰ ১২টা আঞ্চলিক কেন্দ্ৰ আছে। বিভাগটোৱে বিভিন্নপ্ৰকাৰৰ পৰিবেশ্য কলা; যেনে— নাটক, নৃত্য-নাটিকা, পুতলা নাচ, লোক গীত-মাত, লোক আৰু জনজাতীয় নাটক, শব্দ আৰু পোহৰৰ অনুষ্ঠান, ইত্যাদিৰ মাধ্যমেদি ৰাষ্ট্ৰীয় ঐক্য-সংহতি, সামাজিক-অৰ্থনৈতিক আঁচনি, জনজাতীয়সকলৰ বিকাশৰ বাবে প্ৰস্তুত কৰা আঁচনি, ৰাষ্ট্ৰীয় সংহতিৰ প্ৰসাৰ বিশেষকৈ জম্মু আৰু কাশ্মীৰ আৰু উত্তৰ-পূৰ্বাঞ্চলৰ সংঘৰ্ষজৰ্জৰ অঞ্চলসমূহত ৰাষ্ট্ৰীয় সংহতিৰ প্ৰসাৰৰ বাবে এই বিভাগটোৱে অশেষ কাম কৰিছে।

৮.৩.১০ প্ৰসাৰ ভাৰতী (Prasar Bharati)

প্ৰসাৰ ভাৰতী (দ্য ব্ৰডকাষ্টিং কোৰপোৰেচন অফ ইণ্ডিয়া) ' প্ৰসাৰ ভাৰতী এক্ট'ৰ অধীনত প্ৰতিষ্ঠি ত হোৱা এটা স্বতন্ত্ৰ সংস্থা। সংস্থাটোৰ কাম-কাজ ২৩ নবেম্বৰ,১৯৯৭ৰ পৰা আৰম্ভ হয়। ই দেশৰ ৰাজহুৱা সম্প্ৰচাৰণ সেৱা (Public Service Broad-caster)। ৰাজহুৱা সম্প্ৰচাৰণ সেৱাৰ উদ্দেশ্য আকাশবাণী (AIR) আৰু দূৰদৰ্শনৰ মাধ্যমেদিহে সিদ্ধি হয়। পূৰ্বৱৰ্তী কালচোৱাত AIR আৰু দূ ৰদৰ্শন স্বতন্ত্ৰ প্ৰচাৰ মাধ্যমৰ গোট হিচাপে তথ্য আৰু প্ৰচাৰ মন্ত্ৰণালয়ৰ অধীনত কাম কৰিছিল।



জানি থোৱা ভাল

দুটা ব্যক্তিগত মালিকানাৰ ট্রেন্সমিটাৰৰ সহায়ত মুম্বাই আৰু কলকাতাত ১৯২৭ চনত ব্রডকাষ্টিঙেৰে ভাৰতত ব্রডকাষ্টিং আৰম্ভ হয়। ১৯৩০ চনত এই দুটা ট্রেন্সমিটাৰ চৰকাৰৰ হাতলৈ যায়। ১৯৩৬ চনলৈকে এইকেইটা "ইণ্ডিয়ান ব্রডকাষ্টিং চার্ভিচ" নামেৰে চলিছিল। পৰৱর্তী সময়চোৱাত ই ইয়াৰ বর্তমানৰ নাম "All India Radio" (AIR) পালে। ১৯৫৭ চনৰ পৰা ই "আকাশবাণী" নামে জনাজাত হয়। এতিয়া AIRৰ নেটৱর্কে জনসংখ্যাৰ ৯৭.৩% সামৰি লৈছে আৰু সমগ্র অঞ্চলৰ ৯০% ঢুকি পায়। AIR নেটৱর্কে ৰাষ্ট্রীয় চেনেল, আঞ্চলিক ষ্টেচনসমূহ, স্থানীয় ৰেডিঅ" ষ্টেচন, বিবিধ ভাৰতী কেন্দ্রসমূহ, এফ.এম. ষ্টেৰিঅ' চার্ভিচ' চার্ভিচ, বহিঃপৰিক্রমা সেৱা আৰু উত্তৰ-পূর্বাঞ্চলৰ সেৱাসমূহ (চার্ভিচ)।

আজিৰ সময়ত দূৰদর্শন পৃথিৱীৰ এটা অন্যতম বৃহৎ সম্প্রচাৰণ সংস্থা। ষ্টুডিঅ' আৰু ট্রেন্সমিটাৰৰ গাঁথনিগত দিশ, ব্যৱহাৰ কৰা চফ্টৱেৰ আৰু দর্শকৰ বৃহৎসংখ্যাৰ প্রতি লক্ষ্য ৰাখিলে এইটো মনলৈ নাহিলে যে দূৰদর্শনৰ সম্প্রচাৰণ সাধাৰণভাবে আৰম্ভ হৈছিল। ১৯৫৯ চনৰ চেপ্তেম্বৰ মাহত দিল্লীত পৰীক্ষামূলক সম্প্রচাৰটো এটা সৰু ট্রেন্সমিটাৰ আৰু অস্থায়ী ষ্টুডিঅ' এটাৰ পৰা হৈছিল। দৈনিক সম্প্রচাৰণ সেৱা আৰম্ভ হয় ১৯৬৫ চনৰ পৰা।১৯৭২ চনত দূৰদর্শনৰ সম্প্রচাৰণ সেৱা মাত্র আৰু এখন মহানগৰ মুম্বাইলৈ প্রাসাৰিত হয়। ১৯৭৫ চনলৈ মাত্র সাতখন নগৰলৈ দূৰদর্শনৰ সেৱা প্রসাৰিত হৈছিল। ১৯৭৬ চনত দূৰদর্শন-ৰেডিঅ'ৰ পৰা পৃথক পৃথক হৈ এটা স্বতন্ত্রৰীয়া সংস্থা হিচাপে গঢ় লয়। ১৯৮২ চনত ৰাষ্ট্রীয় কার্যক্রম (National Programme) আৰম্ভ হয় আৰু তেতিয়াৰ পৰা দূৰদর্শনৰ কার্যসূচী উপভোগ কৰিব পৰা হৈছে। ৬৫টা দূৰদর্শনৰ ষ্টুডিঅ'ই দূৰদর্শন চফ্টৱেৰ উৎপাদন কৰিছে। সম্প্রতি দূৰদর্শনে ইয়াৰ ফ্রী টু এয়াৰ ডি-টি-এইচ ছার্ভিচ (Free to Air DTH Servive) মাধ্যমেদি ৩০টা চেনেল আৰু ডি ডি ডাইৰেক্ট প্লাচ (DD-Direct Plus) চলাই আছে।

৮.৩.১১ ব্ৰডকাষ্ট ইঞ্জিনিয়াৰিং কন্‌চালটেণ্টচ্‌ ইণ্ডিয়া লিমিটেড্‌ (Broadcast Engineering Consultants India Ltd.)

১৯৯৫ চনৰ মাৰ্চ মাহত স্থাপিত বি ই চি আই এল কেন্দ্ৰীয় চৰকাৰৰ ৰাজহুৱাখণ্ডৰ অধীনস্থ এক লাভজনক প্ৰতিষ্ঠান। এই প্ৰতিষ্ঠাটোৱে প্ৰচাৰ অভিযান্ত্ৰিকৰণ আৰু তথ্য প্ৰযুক্তিৰ ক্ষেত্ৰত মুখ্য পৰামৰ্শদাতা সংস্থা ৰূপে কাম কৰে। বি-ই-চি-আই-এলৰ মুখ্য কাম-কাজৰ ভিতৰত পৰে এফ-এম ৰেডিঅ', টিভি চেনেল স্থাপন কৰা, প্ৰাদেশিক টিভি আৰু ৰেডিঅ' প্ৰেৰক যন্ত্ৰ স্থাপন কৰা তথা শব্দ ব্যৱস্থা সুদৃঢ় কৰা। মৰিচাচ্‌, ভুটান, কুৱেট, নেপাল আৰু আফগানিস্থানৰ নিচিনা দেশলৈ এই প্ৰতিষ্ঠানৰ কাৰ্যক্ষেত্ৰ প্ৰসাৰিত হৈছে।

৮.৩.১২ চলচ্চিত্ৰ বিভাগ (Film division)

কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন আঁচনি প্ৰচাৰৰ অৰ্থে তথ্যচিত্ৰ, নিউজ মেগাজিন নিৰ্মাণৰ লগত জড়িত চলচ্চিত্ৰ বিভাগ। দেশৰ চিত্ৰগৃহসমূহত এনে তথ্যচিত্ৰ, নিউজ মেগাজিনসমূহ প্ৰদৰ্শন কৰা হয়। চলচ্চিত্ৰ বিভাগে ক্ষেত্ৰ প্ৰচাৰ সঞ্চালকালয় বাবে প্ৰয়োজনীয় বিভিন্ন সামগ্ৰী যোগান ধৰে। বিগত পাঁচটা দশক ধৰি চলচ্চিত্ৰ বিভাগে দেশৰ জনগণক ৰাষ্ট্ৰ নিৰ্মাণৰ হকে অনুপ্ৰাণিত আৰু উদ্বুদ্ধ কৰি আহিছে। দেশ-বিদেশৰ শ্ৰোতা-দৰ্শকৰ মাজত ভাৰতৰ ঐতিহ্যময় সংস্কৃতি তুলি ধৰা, ৰাষ্ট্ৰীয় আঁচনি-কাৰ্যসূচী ৰূপায়ণৰ বাবে জনসাধাৰণক অনুপ্ৰাণিত আৰু শিক্ষিত কৰাই চলচ্চিত্ৰ বিভাগৰ মুখ্য উদ্দেশ্য আৰু লক্ষ্য। তথ্যচিত্ৰৰ বিকাশৰ ক্ষেত্ৰত উৎসাহ প্ৰদান কৰাটো চলচ্চিত্ৰ বিভাগৰ অন্যতম লক্ষ্য যিহেতু বিভিন্ন ৰাষ্ট্ৰীয় তথ্য যোগান ধৰা তথা সম্প্ৰীতিৰ ক্ষেত্ৰত তথ্যচিত্ৰৰ ভূমিকা উল্লেখনীয়।

৮.৩.১৩ চলচ্চিত্ৰ মহোৎসৱ সঞ্চালকালয় (Directorate of Film Festivals)

দেশৰ ভিতৰত ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ আয়োজন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে ১৯৭৩ চনত চলচ্চিত্ৰ মহোৎসৱ সঞ্চালকালয় (DFF) স্থাপন কৰে। দেশৰ বাহিৰৰ চলচ্চিত্ৰ উৎসৱত ভাৰতে যাতে অংশগ্ৰহণ কৰিব পাৰে তাৰ বাবে এই সঞ্চালকালয় স্থাপিত হৈছে। সাংস্কৃতিক আদান-প্ৰদানৰ বাহন হিচাপে DFFৰ কাম হ'ল আন্তঃ ৰাষ্ট্ৰীয় বন্ধুত্ব উন্নত কৰা, বিশ্ব চলচ্চিত্ৰৰ প্ৰেক্ষাপটত সৃষ্টি হোৱা নতুন

ধাৰাসমূহৰ লগত সকলোকে পৰিচয় কৰাই দিয়া আৰু ভাৰতীয় চিনেমাৰ উত্তৰণৰ বাবে সুস্থ প্ৰতিযোগিতামূলক মনোভাব সৃষ্টি কৰা।

৮.৩.১৪ ভাৰতৰ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ সংগ্ৰহালয় (The National Film Archives of India)

১৯৬৪ চনৰ ফেব্ৰুৱাৰী মাহত কেন্দ্ৰীয় তথ্য আৰু প্ৰচাৰ মন্ত্ৰণালয়ৰ মিডিয়া ইউনিট ৰূপে ৰাষ্ট্ৰীয় চলচ্চিত্ৰ সংগ্ৰহালয় স্থাপন কৰা হৈছিল। ইয়াৰ তিনিটা মূল উদ্দেশ্য হ'ল—

(১) ভাৰতীয় চলচ্চিত্ৰৰ ঐতিহ্য চিনাক্ত কৰি তাক সংগ্ৰহ আৰু সংৰক্ষণ কৰা।

(২) চলচ্চিত্ৰৰ লগত জড়িত গৱেষণা কাৰ্য হাতত লোৱা, চলচ্চিত্ৰৰ লগত জড়িত তথ্যপাতি সংগ্ৰহ কৰা আৰু তাৰ শ্ৰেণীবিভাগ।

(৩) চলচ্চিত্ৰ সংস্কৃতিৰ প্ৰসাৰৰ বাবে কেন্দ্ৰ হিচাপে কাম কৰা।

বাংগালোৰ, কলকাতা, থিৰুৱনন্তপুৰমত থকা তিনিটা আঞ্চলিক কাৰ্যালয়সহ সংগ্ৰহালয়টোৰ মুখ্য কাৰ্যালয় পুনেত অৱস্থিত।

৮.৩.১৫ ফিল্ম্ এণ্ড টেলিভিচন ইন্‌ষ্টিটিউট অফ ইণ্ডিয়া (Film and Television Institute of India)

কেন্দ্ৰীয় তথ্য আৰু প্ৰচাৰ মন্ত্ৰণালয়ৰ অধীনস্থ এটা স্বতন্ত্ৰৰীয়া সংস্থা হ'ল ফিল্ম এণ্ড টেলিভিচন ইন্‌ষ্টিটিউট অফ ইণ্ডিয়া (FTII) এই সংস্থাটোৱে চলচ্চিত্ৰ নিৰ্মাণ আৰু টিভিৰ অনুষ্ঠান নিৰ্মাণৰ প্ৰশিক্ষণ দিয়ে। সম্প্ৰতি, কেৱল ভাৰততে নহয়, এচিয়া আৰু ইউৰোপতো এই সংস্থাটোৰ জনপ্ৰিয়তা বিয়পি পৰিছে।

৮.৩.১৬ সত্যজিৎ ৰায় ফিল্ম্ এণ্ড টেলিভিচন ইন্‌ষ্টিটিউট (Satyajit Ray Film and Television Institute)

চলচ্চিত্ৰ নিৰ্মাণৰ শেহতীয়া শিক্ষা আৰু কাৰিকৰী অভিজ্ঞতা প্ৰদানেৰে চলচ্চিত্ৰ নিৰ্মাণৰ কলা আৰু কৌশলৰ লগত পৰিচিত কৰাই হ'ল SRFTI প্ৰতিষ্ঠাৰ মূল উদ্দেশ্য। কলকাতাত অৱস্থিত এই সংস্থা পশ্চিমবংগৰ West Bengal Societies Reg-

istration Act ১৯৬১মৰ্মে ১৮.৮.৯৫ত এটা সংস্থা (Society) হিচাপে পঞ্জীয়নভুক্ত হয়। এখন পৰিচালনা পৰিষদ, বিত্তীয় সমিতি আৰু শৈক্ষিক পৰিষদসহ এই সংস্থাটোৱে এক স্বতন্ত্ৰ সংস্থা হিচাপে কাম কৰি আছে।

৮.৩.১৭ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ উন্নয়ন নিগম (National Film Development Corporation)

ইণ্ডিয়ান মোশ্যন পিক্চাৰ এক্সপৰ্ট কৰ্পৰেশ্যন আৰু ফিল্ম ফাইনেঞ্চ কৰ্পৰেশ্যন একলগ কৰি ১৯৭৫ চনত ৰাষ্ট্ৰীয় চলচ্চিত্ৰ উন্নয়ন নিগমৰ সৃষ্টি কৰা হয়। ১৯৬০ চনত চলচ্চিত্ৰ উন্নয়ন নিগমক নতুন ধৰণেৰে গঠন কৰা হয়। নিগমৰ মুখ্য কামৰ ভিতৰত আছে সামাজিক প্ৰমূল্য সম্পন্ন নান্দনিক সৌন্দৰ্য বিশিষ্ট, পৰীক্ষামূলক চলচ্চিত্ৰ প্ৰযোজনা কৰা আৰু বিত্তৰ যোগান ধৰা, বিভিন্ন মাধ্যমৰ জৰিয়তে চলচ্চিত্ৰসমূহ বিতৰণ আৰু প্ৰচাৰ কৰা।

নিগমে চলচ্চিত্ৰ উদ্যোগৰ প্ৰি-প্ৰডাকচন আৰু পোষ্ট প্ৰডাকচনৰ বাবে প্ৰয়োজনীয় আন্তগাঠনিৰ ব্যৱস্থা কৰে। ইয়াৰ ভিতৰত চিত্ৰগৃহ,প্ৰেক্ষাগৃহ নিৰ্মাণৰ বাবে অৰ্থৰ যোগান ধৰাও অন্যতম। কম বাজেটৰ সম্পন্ন চিত্ৰ নিৰ্মাণতো নিগমে উৎসাহ দিয়ে। ৰিচার্ড এটেনবাৰ্গৰ "গান্ধী" নামৰ চলচ্চিত্ৰখনৰ জৰিয়তে নিগমে বিদেশী সহ প্ৰযোজনা আৰম্ভ কৰে।

৮.৩.১৮ চেণ্ট্ৰেল ব'ৰ্ড অব ফিল্ম চাৰ্টিফিকেচন বা কেন্দ্ৰীয় চেন্স'ৰ ব'ৰ্ড (চি-বি-এফ-চি)

চি-বি-এফ-চি হৈছে চলচ্চিত্ৰ নিয়ন্ত্ৰক তথা নিৰীক্ষণকাৰী সংস্থা। যুক্তৰাষ্ট্ৰৰ এম-পি-এ'ৰ সৈতে এই সংস্থাৰ কাম কাজ প্ৰায় একেই। দূৰদৰ্শনৰ বিজ্ঞাপন আদি চি-বি-এফ-চিয়ে নিৰীক্ষণ কৰি প্ৰচাৰৰ অনুমতি দিয়ে। চি-বি-এফ-চিৰ মুখ্য কাৰ্যালয় আছে মুম্বাইত। ভাৰতত নিৰ্মিত চলচ্চিত্ৰৰ প্ৰচাৰ উপযোগিতা এই সংস্থাটোৱে নিৰূপণ কৰে। চলচ্চিত্ৰৰ মান নিৰ্ধাৰণ বাবে সংস্থাটোৱে চাৰি প্ৰকাৰ মান-পত্ৰ প্ৰদান কৰে। সেইকেইটা হ'ল—

- ইউ (U) অৰ্থাৎ জনসাধাৰণৰ মাজত প্ৰচাৰত বাধা নাই।
- এ (A) কেৱল প্ৰাপ্ত বয়স্কসকলৰ বাবে।

- ইউ-এ (UA) ১২ বছৰ বয়সৰ তলৰ ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত অভিভাবকৰ তত্ত্বাৱধানতহে প্ৰদৰ্শনৰ অনুমতি দিয়া হয়।
- এছ (S) মুষ্টিমেয় দৰ্শকৰ মাজতহে প্ৰচাৰৰ অনুমতি কৰা হয়।

সংস্থাটোৰ বাংগালুৰ, কলকাতা, চেন্নাই, কটক, গুৱাহাটী, হায়দৰাবাদ,মুম্বাই, নতুন দিল্লী আৰু থিৰুৱনন্তপুৰমত থকা আঞ্চলিক কার্যালয়সমূহেও এই নির্ধাৰিত মানপত্ৰসমূহ প্ৰদান কৰিব পাৰে। সংস্থাটোৰ বিৰুদ্ধে আবেদন জনোৱা বিষয় ফিল্ম চার্টিফিকেচন এপিলেট ট্ৰিবুনেলৰ অধীনত বিচাৰাধীন হয়।

৮.৪ ৰাজ্য চৰকাৰৰ জনসম্পৰ্ক

পূৰ্বৰ অধ্যায়ত ভাৰত চৰকাৰ তথ্য আৰু প্ৰচাৰ মন্ত্ৰণালয়ৰ বিষয়ে আলোচনা কৰাৰ দৰে এইবাৰ আমি আলোচনা কৰিম ৰাজ্য চৰকাৰৰ জনসংযোগ বিভাগৰ বিষয়ে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ 'প্ৰসাৰ ভাৰতী'য়ে কি বুজায়?

.....

.....

.....

প্ৰশ্ন নং ১ ঃ ভাৰত চৰকাৰৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰণালয়ৰ মূল কৰণীয় কার্যসমূহবোৰ কি কি?

.....

.....

.....

প্ৰশ্ন নং ৩ ঃ মন্ত্ৰণালয়ৰ তিনিটা শাখা কি কি?

.....

.....

.....

প্ৰশ্ন নং ৪ ঃ RNI বুলিলে কি বুজায়?

.....

.....

.....

প্ৰশ্ন নং ৫ ঃ 'এম্প্লয়মেণ্ট নিউজ' নামৰ কাকতখন কোনে প্ৰকাশ কৰে?

.....

.....

.....

প্ৰশ্ন নং ৬ ঃ প্ৰেছ কাউন্সিলৰ সদস্যসকলক কেনেদৰে মনোনীত কৰা হয়?

.....

.....

.....



অনুশীলনী ৮.১

১) আপোনাৰ অঞ্চলৰ কোনো এখন চৰকাৰী চিকিৎসালয়ৰ জনসম্পৰ্কৰ লগত জড়িত কাৰ্যসূচীসমূহ পুংখানুপুংখভাৱে নিৰীক্ষণ কৰক।


২) আপুনি দূৰদৰ্শন আৰু আকাশবাণী যোগে সম্প্ৰচাৰিত অনুষ্ঠানসমূহ চাওক বা শুনক আৰু চৰকাৰে জনসম্পৰ্ক ৰক্ষাৰ্থে কি কি অনুষ্ঠান সম্প্ৰচাৰ কৰিছে তাৰ এখন তালিকা প্ৰস্তুত ক ৰক।

৮.৪.১ ৰাজ্য চৰকাৰৰ জনসম্পৰ্ক বিভাগ

অসমৰ তথ্য আৰু জনসম্পৰ্ক বিভাগ ১৯৪০ চনত শিলঙত স্থাপিত হৈছিল। সেই সময়ৰ অসমৰ ৰাজধানী শিলঙত স্থাপিত এই বিভাগটোক প্ৰচাৰ আৰু গ্ৰামোন্নয়ন বিভাগ বোলা হৈছিল। তেতিয়াৰ বিভাগটোৰ মুখ্য উদ্দেশ্য আছিল দ্বিতীয় বিশ্বযুদ্ধৰ ভয়াবহতা বা ইয়াৰ কাৰ্যসূচী সম্পৰ্কে জনসাধাৰণক জ্ঞাত কৰোঁ। মিত্ৰশক্তিৰ জৰিয়তে সৰ্বসাধাৰণক একত্ৰিত কৰাও ইয়াৰ উদ্দেশ্য আছিল। প্ৰচাৰ বিভাগত অসম আৰু সুৰমা উপত্যকাৰ বাবে দুজন সহকাৰী প্ৰচাৰ বিষয়া ৰখা হৈছিল। বিভাগটোৰ প্ৰথমজন প্ৰচাৰ

বিষয়া হ'ল অসম অসামৰিক সেৱা বিভাগৰ পৰা যোৱা য়াহিয়া খান চৌধুৰী।

বিভাগটোৱে 'ভৱিষ্যত অসম' নামেৰে এখন পষেকীয়া পত্রিকাও উলিয়াইছিল। পত্রিকাখন দুটা ভাষাত প্রকাশ পাইছিল। অসমীয়া সংস্কৰণটো সম্পাদনা কৰিছিল কৃষ্ণ ভূঞাই আৰু বাংলা সংস্কৰণ ৰমেশ চন্দ্র দাসে। প্রসিদ্ধ লেখক মেদিনী মোহন চৌধুৰী, জ্যোতি প্রসাদ শইকীয়া, ধীৰেন্দ্র চক্রৱর্তী, ৰমা বেজবৰুৱা আৰু কৃতবিদ্যা শিল্পী যুগল দাস, নিপ বৰুৱা, বেণু মিশ্র আৰু নিপন গোস্বামী দৰে যশস্বী অভিনেতাই এই বিভাগটোত কাম কৰিছিল। ১৯৯৭ চনত অসম চৰকাৰে এই বিভাগটোক নতুন ৰূপ দি 'তথ্য আৰু জনসম্পর্ক বিভাগ বা চমুকৈ জনসংযোগ নামেৰে তথ্য আৰু জনসম্পর্ক সঞ্চালকালয়ৰ প্রশাসনীয় বিভাগ হিচাপে মুকলি কৰে। অসম চৰকাৰৰ 'তথ্য আৰু জনসম্পর্ক বিভাগৰ প্রশাসনীয় আন্তগাঠনি এনেধৰণৰ—



সহ সঞ্চালক (প্রশাসন) মুখ্য তথ্য বিষয়া (মুখ্য কার্যালয়) সহ সঞ্চালক (নতুন দিল্লী)	সহ সঞ্চালক (পৰিকল্পনা) গৱেষণা বিষয়া (মুখ্য কার্যালয়) গৱেষণা বিষয়া (যোৰহাট)	সহ সঞ্চালক (সাধাৰণ) গৱেষণা বিষয়া (কোকৰাঝাৰ)	সহ সঞ্চালক (সাংস্কৃতিক) গৱেষণা বিষয়া (ডিফু)

৮.৪.২ জনসংযোগ বিভাগৰ দায়িত্ব

'জনসংযোগ' নামেৰে পৰিচিত তথ্য আৰু জনসম্পর্ক বিভাগে ইয়াৰ বিভিন্ন শাখাৰ জৰিয়তে জনসম্পর্ক ৰক্ষাৰ কাম কৰে। এই বিভাগৰ বিভিন্ন শাখাসমূহৰ বিষয়ে আলোচনা কৰোহঁক।

৮.৪.২.১ প্রেছ সম্পর্কৰক্ষী শাখা (Press Liaison Section)

চৰকাৰী সংবাদ আৰু আলোকচিত্র যুগুত কৰি, সংৰক্ষণ কৰা আৰু সংবাদ মাধ্যমক বিতৰণ কৰাৰ দায়িত্ব পালন কৰে এই বিভাগে। বিভিন্ন উপলক্ষ্যত মন্ত্রী-আমোলাই দিয়া ভাষণ যুগুতোৱাৰ দায়িত্বও এই বিভাগে পালন কৰে। সংবাদ মাধ্যমে পৰিৱেশন কৰা বাতৰি সম্পর্কত মতামত, স্পষ্টীকৰণ আদি দিয়াৰ দায়িত্বও পালন কৰিবলগীয়া হয়।

৮.৪.২.২ প্রেছ গৱেষণা শাখা

চৰকাৰী কাম-কাজ বিবৰণ দিয়া, বিভিন্ন আঁচনিৰ সম্পর্কে নিয়মীয়া পর্যবেক্ষণেৰে প্রতিবেদন প্রস্তুত কৰা আদি এই বিভাগৰ কাম। বিভাগটোৱে প্রকাশিত বাতৰি আৰু অন্যান্য তথ্যপাতিও পঞ্জীয়ন কৰিব লাগে।

৮.৪.২.৩ অভিলেখাগাৰ (আর্কাইভ)

এই শাখাই গুৰুত্বপূর্ণ চৰকাৰী উৎসৱ-অনুষ্ঠানৰ আলোকচিত্র গণ মাধ্যমলৈ প্রেৰণৰ লগতে সংৰক্ষণৰ ব্যৱস্থা কৰে।

৮.৪.২.৪ বিজ্ঞাপন বিভাগ

চৰকাৰী আঁচনি, সাফল্যৰ খতিয়ান, যোজনা আদিৰ অগ্রগতি স্থিতি বা অন্যান্য কার্যকলাপ সন্দর্ভত বিভিন্ন মাধ্যমেৰে বিজ্ঞাপন দিয়া এই শাখাৰ কাম।

৮.৪.২.৫ সাংস্কৃতিক বিভাগ

এই বিভাগৰ মূল দায়িত্ব হৈছে গীত-নৃত্য, বাটৰ নাট আদিৰে জনসাধাৰণৰ মাজত বিভিন্ন বিষয় সম্পর্কে সজাগতা প্রচাৰ আৰু প্রসাৰ। এই বিভাগৰ অধীনত এটি শিল্পীদলে শ্রীমন্ত শংকৰদেৱ কলাক্ষেত্রত কর্মৰত হৈ আছে।

৮.৪.২.৬ প্রদর্শনী বিভাগ

গুৰুত্বপূর্ণ আলোকচিত্র আৰু কাৰুকলা আদিৰ প্রদর্শনৰ ব্যৱস্থা কৰা এই বিভাগৰ দায়িত্ব। জনসাধাৰণৰ আগ্রহ সৃষ্টিৰ বাবে কলাসন্মত ৰূপত বিভিন্ন ঠাইত এই বিভাগে প্রদর্শনী আয়োজন কৰে।

৮.৪.২.৭ প্রযুক্তি বিভাগ

ৰাজহুৱা জাননী আদি প্রচাৰৰ বাবে প্রয়োজনীয় শব্দ-যন্ত্র, চৰকাৰী সভা-সমিতিৰ বাবে দৰকাৰ হোৱা শব্দ- ব্যৱস্থাৰ দায়িত্ব এই বিভাগে লয়। প্রত্যক্ষ জাননী কৰিবৰ বাবে প্রধান প্রধান চহৰত লাউড স্পীকাৰ ফিক্সড্ (এফ এল এছ) ছিষ্টেমৰো ব্যৱহাৰ এই বিভাগে কৰে।

৮.৪.২.৮ তথ্য কেন্দ্র

পর্যাপ্ত গ্রন্থ প্রসংগ সমল আদিৰে গুৱাহাটীৰ শ্রীমন্ত শংকৰদেৱ কলাক্ষেত্রত অসম চৰকাৰৰ তথ্য আৰু জনসম্পর্ক বিভাগে এটা তথ্য কেন্দ্র স্থাপন কৰিছে। এজন জ্যেষ্ঠ্য বিভাগীয় বিষয়াৰ তত্ত্বাৱধানত এই কেন্দ্র পৰিচালিত হয়।

৮.৪.২.৯ প্রকাশন শাখা

গুৰুত্বপূর্ণ চৰকাৰী বিষয়, লেখা বিশ্লেষণ, কার্যাৱলী আদিৰ প্রচাৰৰ বাবে এই

বিভাগৰ দ্বাৰা বিভিন্ন সাময়িক পত্রিকা, পুস্তিকা আদি প্রকাশ কৰা হয়। বিভাগটোৱে 'ৰাইজৰ বাতৰি' নামেৰে এখন সাপ্তাহিক কাকতো প্রকাশ কৰিছে। জনকল্যাণ আৰু জনস্বার্থৰ হকে বিভিন্ন চৰকাৰী কাম কাজৰ খতিয়ান দাঙি ধৰা এই কাকতখনৰ ৩০ হেজাৰ কপি বিতৰণ কৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ অসম চৰকাৰৰ জনসম্পর্ক বিভাগ ক'ত আৰু কেতিয়া প্রতিষ্ঠা কৰা হৈছিল?

.....

.....

.....

প্রশ্ন নং ৮ ঃ অসমৰ প্রথম প্রচাৰ বিষয়া কোন আছিল?

.....

.....

.....

প্রশ্ন নং ৯ ঃ 'ভৱিষ্যৎ অসম' নামৰ কাকতখনৰ সম্পাদকদ্বয়ৰ নাম লিখক।

.....

.....

.....



অনুশীলনী ৮.২

১) অসম চৰকাৰে ব্যৱহাৰ কৰা বিভিন্ন জনসম্পর্কৰ আহিলাসমূহৰ এখন তালিকা প্রস্তুত কৰক।

২) জিলা বা মহকুমা তথ্য বিষয়াৰ কার্যালয়লৈ যাওক আৰু সেই কার্যালয়ৰ গুৰুতৰ কর্মৰাজীৰ তথ্য সংগ্রহ কৰি এটি টোকা প্রস্তুত কৰক।

৮.৫ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ জনসম্পৰ্ক

ৰাজহুৱা খণ্ডৰ অধীনস্থ কেন্দ্ৰীয় বা ৰাজ্যিক চৰকাৰৰ সংস্থাসমূহ হৈছে একোটা নিগম, যিয়ে চৰকাৰাধীনভাৱে সংস্থাটো পৰিচালনা কৰে। ইয়াৰ দক্ষতা তাৎক্ষণিক লাভালাভৰ জৰিয়তে নিৰ্ণয় কৰা হয়। গতিকে সততে ইয়াৰ ওপৰত একধৰণৰ নেতিবাচক দৃষ্টিভংগী আৰোপিত হৈ থাকে। সংবাদ মাধ্যমে এনে নিগমৰ সামৰ্থ্য, বৃত্তিমূলক ধ্যান-ধাৰণা অভাৱ, অতিৰিক্ত কৰ্মচাৰী নিয়োজন আদি বিভিন্ন দিশৰ সমালোচনা কৰে। এনে নিগমসমূহৰ কাৰ্যকলাপৰ ওপৰতহে ইয়াৰ গ্ৰহণযোগ্যতা নিৰ্ভৰ কৰে বাবে জনসম্পৰ্ক ৰক্ষা এইসমূহৰ বাবে অত্যন্ত জৰুৰী। কেন্দ্ৰীয় চৰকাৰৰ ৰাজহুৱা খণ্ডৰ অধীনস্থ কেইটিমান গুৰুত্বপূৰ্ণ নিগম হৈছে—

- ভাৰত সঞ্চাৰ নিগম লিমিটেড (বি এছ এন এল)
- অ' এন জি চি লিমিটেড
- ভাৰত হেভী ইলেকট্ৰিকেল লিমিটেড (বি এইচ ই এল)
- ভাৰতীয় ৰেলবিভাগ
- ইণ্ডিয়ান অইল কৰ্পৰেচন লিমিটেড
- নেচনেল থাৰ্মেল পাৱাৰ কৰ্পৰেচন
- ভাৰত ইলেকট্ৰনিকছ লিমিটেড ইত্যাদি।

আন সকলো সংস্থাৰ দৰে ৰাজহুৱা খণ্ডৰ অনুষ্ঠানৰ বাবেও জনসম্পৰ্ক গণ সংযোগৰ এক গুৰুত্বপূৰ্ণ আহিলা। জনসাধাৰণৰ সৈতে সুসম্পৰ্ক স্থাপন তথা নিজৰ নিজৰ ভাবমূৰ্ত্তি উজ্জ্বল কৰি ৰাখিবলৈ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহে জনসম্পৰ্কৰ বিভিন্ন প্ৰক্ৰিয়া মানি চলা উচিত। তদুপৰি সামাজিক দায়বদ্ধতাৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰাটোও বাঞ্ছনীয়। আমি ইতিপূৰ্বে আলোচনা কৰি অহা জনসম্পৰ্কৰ বিভিন্ন আহিলাসমূহ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানেও ব্যৱহাৰ কৰিব পাৰে। এনে প্ৰতিষ্ঠানৰ বাবে জনসম্পৰ্ক ৰক্ষাৰ অন্য কিছুমান দিশো আছে; যেনে—

- জাতীয় অৰ্থনীতিত অৰিহণা যোগোৱাৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰা।
- লাভজনক আৰু উৎপাদনক্ষম হোৱা।
- সামাজিক দায়ৱদ্ধতা পালন কৰা।
- অন্যান্য দুৰ্বল সংস্থা বা গোটৰ উজ্জীৱিতকৰণত অৰিহণা যোগোৱা।
- অৰ্থনৈতিক ক্ষেত্ৰত অৰিহণা যোগোৱাৰ বাবে সক্ষম হৈ উঠা ইত্যাদি।

ৰাজহুৱা খণ্ডৰ প্রতিষ্ঠানসমূহৰ গ্রহণযোগ্য ভাৰমূর্তি গঢ়াৰ ক্ষেত্রত জনসম্পর্ক ভূমিকা অপৰিসীম। এনে অনুষ্ঠানৰ মুখ্য কার্যবাহীৰ সমান্তৰাল ভূমিকা জনসম্পর্কৰক্ষী বিষয়াজনেও পালন কৰিব-লগীয়া হয়। জনসাধাৰণ আৰু এই নিগমসমূহৰ লগত জড়িত উদ্যোগৰ সৈতে প্রত্যক্ষ যোগাযোগ ৰক্ষা, সকলোধৰণৰ সভা আদিত উপস্থিত থকা সকলো পক্ষৰ মাজত বুজাবুজি স্থাপনত জন-সম্পর্কৰক্ষী বিষয়াজন সক্রিয় ভূমিকা গ্রহ ণ কৰিব লাগে, এনে সক্রিয় আৰু তৎপৰতাৰ জৰিয়তেহে নিগম একোটাৰ অগ্রণী ভূমিকা, কার্যকাৰিতা আৰু বৃত্তিমূলক প্রতিদ্বন্দিতাৰ পৰিবেশ স্থাপন সম্ভৰ হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১০ ঃ ৰাজহুৱা খণ্ডৰ অধীনৰ প্রতিষ্ঠান বুলিলে কি বুজায়?

.....

.....

.....

প্রশ্ন নং ১১ ঃ তিনিটি জনপ্রিয় ৰাজহুৱা খণ্ডৰ প্রতিষ্ঠানৰ নাম লিখক।

.....

.....

.....



অনুশীলনী ৮.৩

১) আপোনাৰ অঞ্চলত কোনো ৰাজহুৱা খণ্ডৰ সংস্থা বা প্রতিষ্ঠান আছে নেকি? যদি আছে, সেই প্রতিষ্ঠানৰ জনসম্পর্কৰক্ষী বিষয়াজনক দেখা কৰাৰ চেষ্টা কৰক আৰু এটি টোকা প্রস্তুত কৰক।

২) এটি ৰেল ষ্টেচনলৈ যাওক আৰু ভাৰতীয় ৰেল সেৱাৰ জনসম্পর্কমূলক কার্যসূচী নিৰীক্ষণ কৰক।



৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

জনসাধাৰণৰ মাজত তথ্য প্ৰচাৰৰ ক্ষেত্ৰত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰণালয়ৰ গুৰুত্ব অধিক। কেন্দ্ৰীয় চৰকাৰৰ কামকাজ আৰু বিভিন্ন আঁচনিৰ জনসম্পৰ্ক ৰক্ষাৰ বাবে এই মন্ত্ৰণালয়ৰ অধীনত ১৮টা বিভাগ আৰু তিনিটা শাখা আছে।

অসমৰ জনসম্পৰ্ক বিভাগ স্থাপিত হৈছিল ১৯৪০ চনত, তেতিয়াৰ ৰাজধানী শিলঙত। প্ৰাক্-স্বাধীনতা কালত ইয়াক প্ৰচাৰ আৰু গ্ৰাম্য উন্নয়ন বিভাগ বুলি জনা গৈছিল। এতিয়াৰ তথ্য আৰু জনসম্পৰ্ক সঞ্চালকালয় বা জনসংযোগে বিভিন্ন শাখাৰ জৰিয়তে কাম কৰে। জনসংযোগে ৫টা আঞ্চলিক কাৰ্যালয় স্থাপন কৰিছে। ৰাজ্যৰ ভিতৰত আঞ্চলিক কাৰ্যালয়সমূহ স্থাপন কৰা হৈছে ডিফু, যোৰহাট আৰু কোকৰাঝাৰত। বাকী দুটা আছে কলকাতা আৰু দিল্লীত। জিলা আৰু মহকুমা পৰ্যায়ৰ তথ্য আৰু জনসম্পৰ্ক বিষয়াই তৃণমূল পৰ্যায়ত চৰকাৰী আঁচনি তথা অন্যান্য তথ্যাদিৰ প্ৰচাৰৰ ক্ষেত্ৰত ভূমিকা পালন কৰে।

ৰাজহুৱা খণ্ডৰ বাবেও জনসম্পৰ্ক অত্যন্ত গুৰুত্বপূৰ্ণ। জনসাধাৰণৰ সৈতে সুসম্পৰ্ক স্থাপনৰ জৰিয়তে নিজৰ নিজৰ ভাৱমূৰ্তি উজ্জ্বল কৰি ৰাখিবলৈ খণ্ডৰ প্ৰতিষ্ঠানসমূহেও জনসম্পৰ্কৰ বিভিন্ন প্ৰক্ৰিয়া মানি চলা উচিত। সামাজিক দায়বদ্ধতা তথা অন্যান্য জনসম্পৰ্কৰক্ষাৰ মাধ্যমৰ দ্বাৰা এনে প্ৰতিষ্ঠানসমূহে জনসাধাৰণৰ কাষ চপাৰ যত্ন কৰিব লাগে।



৮.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতৰ সম্পচাৰণ নিগম হৈছে প্ৰচাৰ ভাৰতী। আকাশবাণী আৰু দূৰদৰ্শন (অল ইণ্ডিয়া ৰেডিঅ' এণ্ড টেলিভিছন)ক লৈ ই এক স্বতন্ত্ৰ সংস্থা।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰত চৰকাৰৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰণালয়ৰ কৰণীয়সমূহ হ'ল—

- অনাতাঁৰ আৰু দূৰদৰ্শন যোগে বাতৰি প্ৰচাৰ।
- অনাতাঁৰ আৰু দূৰদৰ্শন উন্নতি সাধন।
- চলচ্চিত্ৰ আমদানি-ৰপ্তানি।
- চলচ্চিত্ৰৰ উদ্যোগৰ উন্নতি সাধন ইত্যাদি

৩ নং প্ৰশ্নৰ উত্তৰ ঃ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰণালয়ৰ তিনিটা শাখা হ'ল—

- তথ্য শাখা
- প্ৰচাৰ শাখা
- চলচ্চিত্ৰ শাখা

৪ নং প্ৰশ্নৰ উত্তৰ ঃ আৰ-এন-আই হ'ল ভাৰতৰ বাতৰিকাকত পঞ্জীয়ক সংস্থা।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ প্ৰকাশন বিভাগৰ দ্বাৰা 'এমপ্লয়মেণ্ট নিউজ' কাকতখন প্ৰকাশ হয়।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰেছ কাউঞ্চিল অৱ ইণ্ডিয়া (পি চি আই) এজন অধ্যক্ষই নেতৃত্বদান কৰা এক সমিতিৰ দ্বাৰা পৰিচালিত হয়। সমিতিখনত ৰাজ্য সভাৰ অধ্যক্ষ, লোকসভাৰ অধ্যক্ষ আৰু প্ৰেছ কাউঞ্চিলৰ সদস্যসকলে অধ্যক্ষজনক নিৰ্বাচন কৰে। কাউঞ্চিলৰ অধিকাংশ ব্যক্তিয়েই সংবাদজগতৰ সৈতে জড়িত। বিশ্ববিদ্যালয় অনুদান আয়োগ আৰু বাৰ কাউঞ্চিলৰ অব ইণ্ডিয়াৰ একোজনকৈ ব্যক্তি থকাৰ লগতে লোকস ভাৰো তিনিজন মনোনীত ব্যক্তি কাউঞ্চিলখনত থাকে।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ অসমৰ জনসম্পৰ্ক বিভাগ ১৯৪০ চনত শ্বিলঙত স্থাপন কৰা হৈছিল।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ বিভাগটোৰ প্ৰথমজন প্ৰচাৰ বিষয়া আছিল য়াহিয়া খান চৌধুৰী।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ 'ভৱিষ্যৎ অসম' অসমীয়া সংস্কৰণ কৃষ্ণ ভুঞা আৰু বাংলা সংস্কৰণ ৰমেশ চন্দ্ৰ দাসে সম্পাদনা কৰিছে।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাষ্ট্ৰীয় প্ৰতিষ্ঠানসমূহ কেন্দ্ৰীয় বা ৰাজ্যিক চৰকাৰৰ অধীনত সংস্থা, যিবোৰ একোটা নিগম, যিয়ে চৰকাৰাধীনভাৱে সংস্থাটো পৰিচালনা কৰে।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ • ভাৰতীয় ৰে'ল সেৱা

- ভাৰত সঞ্চাৰ নিগম লিমিটেড
- তেল আৰু প্ৰাকৃতিক গেছ নিগম লিমিটেড।



৮.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ সঙ্গীত আৰু নাট বিভাগ কিয় প্ৰতিষ্ঠা কৰা হৈছিল?

প্ৰশ্ন ২ ঃ প্ৰেছ ইন্‌ফৰ্মেচন ব্যুৰোৰ মূল উদ্দেশ্য কি?

(খ) চুটি প্ৰশ্নঃ (প্ৰায় ১৫০ টা শব্দৰ ভিতৰত দিয়ক)

প্ৰশ্ন ১ ঃ সকলো চৰকাৰী আঁচনি আৰু কাৰ্যসূচী দেশৰ জনসাধাৰণৰ মাজত প্ৰচাৰ কৰাত বা এইবোৰৰ বিষয়ে সজাগতা প্ৰসাৰত কেন্দ্ৰীয় চৰকাৰৰ সফল বুলি ভাবেনে? যুক্তিসহ বিচাৰ কৰক।

প্ৰশ্ন ২ ঃ অসমৰ জনসম্পৰ্ক বিভাগৰ চমু বুৰঞ্জী লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (প্ৰায় ৩০০-৫০০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান বুলিলে কি বুজে। এনে প্ৰতিষ্ঠানৰ প্ৰতি আপোনাৰ ভাৱমূৰ্তি কেনেধৰণৰ? এই প্ৰতিষ্ঠানসমূহৰ বাবে জনসম্পৰ্ক কিয় গুৰুত্বপূৰ্ণ?